জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭১৬/২০২০

# জ্যেষ্ঠ সাংবাদিক প্ৰদীপ কুমাৰ গগৈৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ৩০ অক্টোবৰ ঃ** জ্যেষ্ঠ সাংবাদিক, বিশিষ্ট সমাজকৰ্মী প্ৰদীপ কুমাৰ গগৈৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাৰ জৰিয়তে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত গগৈয়ে ৰাজ্যখনৰ সংবাদ জগতলৈ যি বৰঙনি আগবঢ়াই গ'ল সেয়া সমগ্ৰ ৰাজ্যবাসীয়ে শ্ৰদ্ধাৰে স্মৰণ কৰিব। ডিব্ৰুগড় জিলা সাংবাদিক সন্থাৰ প্ৰাক্তন সভাপতি প্ৰয়াত গগৈয়ে বিভিন্ন সংবাদ মাধ্যমৰ লগত জড়িত থাকি সেৱা আগবঢ়াই গৈছে। ৰাষ্ট্ৰীয় পৰ্যায়ৰ বৈদ্যুতিন মাধ্যমৰ লগত জড়িত থাকি ৰাষ্ট্ৰীয় পৰ্যায়তো অসমৰ বিভিন্ন সংবাদ পৰিৱেশ কৰিছিল। প্ৰয়াত গগৈয়ে পূৰ্বাঞ্চল টাই সাহিত্য সভাকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত থাকি সেই অনুষ্ঠানসমূহৰ উত্তৰণৰ বাবেও কাম কৰি গৈছে।এইগৰাকী জ্যেষ্ঠ সাংবাদিকৰ বিয়োগ আমাৰ সংবাদ তথা সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত প্ৰদীপ কুমাৰ গগৈৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ / সুঃমিঃকঃ**
৩০/১০/২০২০